# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 19-03-2024
**Time :** 1800 Hrs

## *Assamese Evening Bulletin*

উচ্চতম ন্যায়ালয়ে নাগৰিকত্ব সংশোধনী আইনৰ ৰূপায়ণত স্থগিতাদেশ জাৰি কৰিবলৈ অস্বীকাৰ কৰিছে। আজি সৰ্বোচ্চ ন্যায়ালয়ে এই সন্দৰ্ভত শুনানি গ্ৰহণ কৰি অহা ৮ এপ্ৰিলৰ ভিতৰত চৰকাৰক শপতনামা দাখিল কৰিবলৈ নিৰ্দেশ দিয়ে। অহা ৯ এপ্ৰিলত এই সন্দৰ্ভত পৰৱৰ্তী শুনানি অনুষ্ঠিত হ'ব।

আনহাতে, ২ এপ্ৰিলৰ ভিতৰত আবেদনকাৰীসকলক ৫ পৃষ্ঠাৰ লিখিত প্ৰতিবেদন দাখিল কৰাৰ নিৰ্দেশ দিয়া হৈছে। এই আইনৰ ক্ষেত্ৰত অসম আৰু ত্ৰিপুৰাৰ সৈতে জড়িত গোচৰৰ বাবে পৃথকে পৃথকে শুনানি গ্ৰহণ কৰা হ'ব বুলিও আদালতে প্ৰকাশ কৰিছে।

উল্লেখযোগ্য যে, যোৱা ১১ মাৰ্চত কেন্দ্ৰীয় চৰকাৰে নাগৰিকত্ব সংশোধনী আইন সন্দৰ্ভত অধিসূচনা জাৰি কৰে। ইয়াৰ লগে লগে দেশজুৰি এই আইন বলৱৎ হোৱাটো নিশ্চিত হৈছিল। বিজেপিয়ে পূৰ্বৰ লোকসভা নিৰ্বাচনত দেশত এই আইন বলৱৎ কৰা হ'ব বুলি ঘোষণা কৰিছিল। এই সন্দৰ্ভত ২০১৯ চনত সংসদৰ দুয়োখন সদনত বিধেয়কো গৃহীত হৈছিল। ইয়াৰ ফলত বাংলাদেশ, পাকিস্তান আৰু আফগানিস্তানৰ পৰা ২০১৪ চন পৰ্যন্ত ভাৰতলৈ অহা হিন্দু, জৈন, খ্ৰীষ্টান, শিখ, বৌদ্ধ আৰু পাৰ্চি ধৰ্মীয় শৰণাৰ্থীসকলক ভাৰতীয় নাগৰিকত্ব প্ৰদানৰ ব্যৱস্থা আছে।

উল্লেখযোগ্য যে, এই আইনৰ স্থগিতাদেশ বিচাৰি যোৱা ১২ মাৰ্চত সদৌ অসম ছাত্ৰ সন্থাই উচ্চতম ন্যায়ালয়ত আবেদন দাখিল কৰিছিল। আনহাতে, ১৩ মাৰ্চত অসম বিধানসভাত বিৰোধী দলৰ নেতা দেৱব্ৰত শইকীয়াৰ উপৰি অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদেও আবেদন দাখিল কৰিছিল।

০০০০০

প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে কাইলৈ অধিসূচনা জাৰি কৰা হ'ব। এই পৰ্যায়ত ১৭ খন ৰাজ্য আৰু ৪টা কেন্দ্ৰীয় শাসিত অঞ্চলৰ ১০২খন লোকসভা আসনৰ বাবে নিৰ্বাচন অনুষ্ঠিত হ'ব। তামিলনাডুৰ ৩৯ খন, ৰাজস্থানৰ ১২ খন, উত্তৰ প্ৰদেশৰ ৮ খন, মধ্য প্ৰদেশৰ ছখন, উত্তৰাখণ্ড, অসম আৰু মহাৰাষ্ট্ৰৰ ৫খনকৈ, মণিপুৰ, মেঘালয় আৰু অৰুণাচল প্ৰদেশত দুখনকৈ, চত্তিশগড়, মিজোৰাম, নগালেণ্ড, ছিকিম, ত্ৰিপুৰা, আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জ, জম্মু আৰু কাশ্মীৰ, লাক্ষাদ্বীপ আৰু পুডুচেৰীত এখনকৈ আসনৰ বাবে প্ৰথম পৰ্যায়ত ভোটগ্ৰহণ কৰা হ'ব। চলিত মাহৰ ২৭ তাৰিখলৈকে মনোনয়ন পত্ৰসমূহ দাখিল কৰিব পৰা যাব। অহা ১৯ এপ্ৰিলত প্ৰথম পৰ্যায়ৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। দেশত সৰ্বমুঠ ৭ টা পৰ্যায়ত লোকসভা নিৰ্বাচন অনুষ্ঠিত হ'ব। ৪ জুনত ভোটগণনা কৰা হ'ব। নিৰ্বাচন আয়োগ দেশৰ এই সৰ্ববৃহৎ সাধাৰণ নিৰ্বাচন সুচাৰুৰূপে তথা নিৰাপদভাৱে অনুষ্ঠিত কৰাৰ বাবে বদ্ধপৰিকৰ। আয়োগে নিৰ্বাচনৰ সময়ছোৱাত দেখা দিব পৰা বিভিন্নধৰণৰ প্ৰত্যাহ্বানৰ মুখামুখি হোৱাৰ বাবে যথাযথ পৰিকল্পনা গ্ৰহণ কৰিছে। ধনবল, বাহুবলৰ লগতে ভুৱা তথ্য প্ৰচাৰ আৰু হিংসা তথা নিৰ্বাচনী আচৰণ বিধি উলংঘা কৰাৰ দৰে ঘটনা এনে সময়ত ঘটিব পাৰে

বুলি নিৰ্বাচন আয়োগে আশংকা প্ৰকাশ কৰিছে। স্পৰ্শকাতৰ অঞ্চলসমূহত হ'ব পৰা যিকোনোধৰণৰ পৰিস্থিতিৰ মোকাবিলা কৰিবৰ বাবে পৰ্যাপ্ত পৰিমাণৰ কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীৰ ব্যৱস্থা কৰা হৈছে। জিলাসমূহত সমন্বিত নিয়ন্ত্ৰণ কক্ষও স্থাপন কৰা হৈছে। স্পৰ্শকাতৰ ভোটগ্ৰহণ কেন্দ্ৰসমূহত ৱেবকাষ্টিঙৰ ব্যৱস্থাও কৰা হৈছে।

০০০০০

আসন্ন লোকসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি বিভিন্ন ৰাজনৈতিক দলে প্ৰচাৰ অভিযান আৰম্ভ কৰিছে। আজি লখিমপুৰ লোকসভা সমষ্টিৰ শদিয়াৰ অমৰপুৰত শিক্ষামন্ত্ৰী তথা বিজেপি নেতা ডাঃ ৰণোজ পেগু আৰু সমষ্টিটোৰ বিজেপি প্ৰাৰ্থী প্ৰদান বৰুৱাই প্ৰচাৰ চলায়। শিৱসাগৰৰ ৰুদ্ৰসাগৰ পঞ্চায়তত আজি আয়োজিত বিজেপিৰ এখন সাংগঠনিক সভাত যোৰহাট লোকসভা সমষ্টিৰ বিজেপি প্ৰাৰ্থী তপন কুমাৰ গগৈ, মন্ত্ৰী যোগেন মহন, সাংসদ পল্লৱলোচন দাসকে ধৰি জিলা বিজেপিৰ বহু নেতা-কৰ্মীয়ে অংশগ্ৰহণ কৰে। ইপিনে, বৰপেটা সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী দ্বীপ বায়নে আজি নলবাৰীত এখন দলীয় কৰ্মী সভাত অংশগ্ৰহণ কৰে। গোৱালপাৰা জিলাৰ দুধনৈত আজি গুৱাহাটী সমষ্টিৰ প্ৰাৰ্থী মীৰা বৰঠাকুৰে নিৰ্বাচনী কাৰ্যালয় এটা মুকলি কৰে। তেওঁ লগতে দলীয় নেতা-কৰ্মীৰ সৈতে মত-বিনিময় কৰে। বাক্সা জিলাৰ থমনাত আসন্ন লোকসভা নিৰ্বাচন সম্পৰ্কত অবড়ো সুৰক্ষা সমিতিৰ সম্পাদক জোন দাসে এখন সংবাদ মেল সম্বোধন কৰে। নগাঁও জিলাৰ কলিয়াবৰত আজি মন্ত্ৰী পীযুষ হাজৰিকাই এখন প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। এই সভাত মন্ত্ৰী কেশৱ মহন্ত, কাজিৰঙা সমষ্টিৰ প্ৰাৰ্থী কামাখ্যা প্ৰসাদ তাছাকে ধৰি ভালেসংখ্যক লোকে অংশগ্ৰহণ কৰে।

০০০০০

ডিব্ৰুগড় নিৰ্বাচনী জিলাত নিৰ্বাচনী আদৰ্শ আচৰণ বিধি বলৱৎ হৈ থকা সময়ছোৱাত ধনৰ অবৈধ লেনদেন, ভোটাৰক ধন দি প্ৰলোভিত কৰা, সুৰাৰ অবাধ প্ৰচলন আদি ৰোধ কৰাৰ উদ্দেশ্যে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। এই উদ্দেশ্যে চাবুৱা-লাহোৱাল, ডিব্ৰুগড়, খোৱাং, দুলিয়াজান, টিংখাং আৰু নাহৰকটীয়া বিধানসভা সমষ্টিত আদৰ্শ আচৰণ বিধি কোষে সক্ৰিয় ভূমিকা গ্ৰহণ কৰিছে। নিৰ্বাচনী জিলাখনৰ বিভিন্ন স্থানত নিয়োজিত দলে যান-বাহনসমূহ নিৰীক্ষণ কৰি আছে।

০০০০০

কাৰ্বি আংলং জিলাৰ ৰজাপথাৰত কাইলৈৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে পঞ্চদশ **পিচাক দমাছি** উদযাপন কৰা হ'ব। ৰজাপথাৰ **পিচাক দমাছি** উদযাপন সমিতিৰ উদ্যোগত কেইবাটাও তিৱা সংগঠনৰ সহযোগত এই উৎসৱৰ আয়োজন কৰা হৈছে বুলি উদ্যোক্তাসকলে জনাইছে।

০০০০০

সমাপ্ত